মোৰ ওপৰত এনেকুৱা আয়াত অৱতীৰ্ণ হৈছে , যিটো গোটেই পৃথিৱীতকৈ মোৰ ওচৰত অধিক প্ৰিয়।

আনাছ ইবনু মালিক ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত , তেওঁ কৈছেঃ হুদাইবিয়্যাৰ পৰা প্ৰত্যাৱৰ্তনৰ সময়ত যেতিয়া এই আয়াত অৱতীৰ্ণ হ'লঃ {إِنَّا فَتَحْنَا لَكَ فَتْحًا مُبِينًا لِيَغْفِرَ لَكَ اللَّهُ} পৰা {فَوْزًا عَظِيمًا} লৈকে।[الفتح: ١-٥] তেতিয়া তেওঁলোক আছিল কষ্ট বেদনা আৰু ক্ষোভেৰে পৰিপূৰ্ণ। তেওঁলোকে হুদাইবিয়্য়াতেই কুৰবানীৰ জন্তুবোৰ কুৰবানী কৰিছিল। তেতিয়া তেখেতে ক'লেঃ "মোৰ ওপৰত এনেকুৱা আয়াত অৱতীৰ্ণ হৈছে, যিটো গোটেই পৃথিৱীতকৈ মোৰ ওচৰত অধিক প্ৰিয়।"

[ছহীহ] [(মুছলিম)]

আনাছ ৰাদ্বিয়াল্লাহু আনহুৱে হাদীছটোত জনাইছে যে , যেতিয়া ৰাছুলুল্লাহু চাল্লাল্লাহু আলাইহি অছাল্লামৰ ওপৰত মহান আল্লাহৰ এই বাণী অৱতীৰ্ণ হ'লঃ "(হে ৰাছুল !) নিশ্চয় আমি তোমাক প্ৰদান কৰিছোঁ সুস্পষ্ট বিজয় , যাতে আল্লাহে তোমাৰ অতীত আৰু ভৱিষ্যতৰ ত্ৰুটিসমূহ মাৰ্জনা কৰে আৰু তোমাৰ প্ৰতি তেওঁৰ অনুগ্ৰহ পূৰ্ণ কৰে , লগতে তেওঁ যাতে তোমাক সৰল পথৰ হিদায়ত দিয়ে , লগতে যাতে আল্লাহে তোমাক বলিষ্ঠ সাহায্য দান কৰে। তেৱেঁই মুমিনসকলৰ অন্তৰত প্ৰশান্তি নাযিল কৰিছে , যাতে তেওঁলোকে নিজৰ ঈমানৰ সৈতে ঈমান বৃদ্ধি কৰি লয়। আকাশসমূহ আৰু পৃথিৱীৰ সেনাবাহিনী কেৱল আল্লাহৰেই ; আৰু আল্লাহ হৈছে সৰ্বজ্ঞ , প্ৰজ্ঞাময়। যাতে তেওঁ মুমিন পুৰুষ আৰু মুমিনা নাৰীসকলক জান্নাতত প্ৰৱেশ কৰাব পাৰে , যাৰ তলত নদীসমূহ প্ৰবাহিত , য'ত তেওঁলোক স্থায়ী হ'ব আৰু তেৱেঁই তেওঁলোকৰ পাপসমূহ মোচন কৰিব ; এইটোৱে হৈছে আল্লাহৰ ওচৰত মহা সফলতা।" (ছুৰা আল-ফাতাহঃ ১-৫) এইটো অৱতীৰ্ণ হৈছিল হুদাইবিয়্যাৰ পৰা উভতি অহাৰ সময়ছোৱাত। চাহাবাসকল সেই সময়ত অত্যন্ত দুখ আৰু ক্ষোভত ভাগি পৰিছিল। কাৰণ তেওঁলোকক ওমৰাহ আদায় কৰিবলৈ বাধা প্ৰদান কৰা হৈছিল। এই কাৰণেই সন্ধি কৰিবলগীয়া হৈছিল। তেওঁলোকে ভাবিছিল এই সন্ধি মুছলিমসকলৰ বাবে উচিত নহয়। তেওঁলোকে হুদাইবিয়াতেই কুৰবানীৰ জন্তুবোৰ জবেহ কৰিবলগীয়া হৈছিল। তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছিলঃ মোৰ ওপৰত এনেকুৱা আয়াত অৱতীৰ্ণ হৈছে , যিটো গোটেই পৃথিৱীতকৈ মোৰ ওচৰত অধিক প্ৰিয়। তাৰ পিছত তেখেতে এই আয়াত তিলাৱত কৰিলে।

http://www.sunnah.global/hadeeth/as/show/65787